# অসম আদিত্য

চ'ত, ১৯৪৭ শক ■ শুকুৰবাৰ, ২০ মাৰ্চ, ২০২৬ ■ Asom Aditya, Dibrugarh, Friday, March 20, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

জানিবৰবাবে সঘন
লগত যোগাযোগ
পাৰিলে যে কেৱল
পিন দিবৰ বাবেই
ওঁক অযোগ্য বুলি
বিভাগক অৱগত
১২ চনত নিৰুপম
নল ৰাটাৰ কালাৰ
বিশ্বৰ পঞ্চমগৰাকী
ন লাভ কৰিবলৈ
উপৰি বলিউডৰ
গতে হলিউডৰ
ভজুৰেল কাৰিকৰী
কৰা তথা ফ্ৰান্সৰ
হৈছিল চিত্ৰশিল্পী
ৰ উপৰি তেওঁ
ছুই জাবলেগু,
চিত্ৰ প্ৰদৰ্শনীত
চিত্ৰকলাৰ এটা
সৃষ্টিৰ লক্ষ্যৰে
কৰাৰ পূৰ্বে
ালুকৃত আছিল।
শৰ ছাত্ৰ-ছাত্ৰীক
ৰা নিৰুপম নিজ
চিত্ৰকলাৰ শিক্ষা
অযোগ্য হল।
নৰ খিলঞ্জীয়া
টোক অযোগ্য
যুৱকক কামত

দিয়াটো নিতান্তই প্ৰয়োজন হৈ পৰিছে।

# আমাৰ দৃষ্টিভংগীৰ ওপৰতহে পৰিচালিত হ'ব পৃথিৱীখন ঃ ড° অশোক কুমাৰ লস্কৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৯ মাৰ্চ ঃ** 'নিজক পৰিষ্কাৰ কৰিব পাৰিলেই পৃথিৱীখন পৰিষ্কাৰ হৈ থাকিব। আমি সদায় নিজক চাব লাগিব, আমাৰ দৃষ্টিভংগীৰ ওপৰতহে পৃথিৱীখন পৰিচালিত হ'ব।ইউনেস্ক' এছ'চিয়েশ্যন, গুৱাহাটীৰ সমন্বয়ক ড০ অশোক কুমাৰ লস্কৰে আজি এইদৰে কয়। মুখ্যদ্বাৰৰ পৰা ধুপ-ধূনাৰে আৰতি কৰি উষ্ম আদৰণি জনাই অনা অনুষ্ঠানটিত ড০ লস্কৰে কয়— কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ নেতৃত্বত মহাবিদ্যালয়খনত যি সুন্দৰ আৰু সুদৃঢ় শৈক্ষিক পৰিৱেশ সৃষ্টি হৈছে তাক ভূঁয়সী প্ৰশাসা কৰি কয়— শিক্ষানুষ্ঠানক শিক্ষা মন্দিৰ বুলি কোৱাৰ যি যোগ্যতা সেই যোগ্যতা কানৈ মহাবিদ্যালয়ে লাভ কৰিছে। তেওঁ কয়— কোনোবাই যদি কিবা এটা বস্তু বেয়া বুলি ভাবি লয় তেতিয়া তেওঁক হাজাৰ পৰিষ্কাৰ চশমা পিন্ধাই দিলেও তাক ভাল বুলি চাব নোৱাৰে। মনত এবাৰ বেয়া বুলি সোমাই পৰা ধৰণাটো কেতিয়াও ভাল হ'ব নোৱাৰে। ইউনেস্ক'ৰ মিছন ন'লেজ কাৰ্যসূচীৰ অধীনত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ দৰ্শন আৰু ৰাজিনীতি বিজ্ঞান বিভাগ আৰু ৰুক্মিণী দেৱী কানৈ ছাত্ৰী নিবাসৰ যৌথ সহযোগত অনুষ্ঠিত 'সাংস্কৃতিক বিনিময় কাৰ্যসূচী'ত ড০ লস্কৰে কয়— চৌপাশৰ পৰিৱেশ আমি যিধৰণে গঢ়ি তুলিম, ফলাফল সেই ধৰণেই লাভ কৰিম বুলি মত প্ৰকাশ কৰি কয়— ভাল ফুল য'তেই নাথাকক তাৰ সুবাস সকলোতে বিয়পি থাকে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানটিত সাহিত্য-সংস্কৃতি আৰু শিক্ষা এই তিনিওটাই হৈছে ইউনেস্ক'ৰ মূল ভেঁটি বুলি উল্লেখ কৰি তেওঁ কয়— কানৈ মহাবিদ্যালয়ে এই তিনিওটা খুব সুন্দৰকৈ বৰ্তাই ৰাখিছে। ছাত্ৰী নিভা লাহন আৰু চয়নিকা বুঢ়াগোহাঁয়ে আঁত ধৰা অনুষ্ঠানটিত ইউনেস্ক' এছ'চিয়েশ্যন, গুৱাহাটীৰ সঞ্চালক প্ৰধান ড০ অশ্বিনী শৰ্মা, ইউনেস্ক' এছ'চিয়েশ্যন, গুৱাহাটীৰ আজীৱন সদস্য অজিত শইকীয়া, কে চি দাস বাণিজ্য মহাবিদ্যালয়, গুৱাহাটীৰ ড০ কুকিল বৰা, ইউ এছ টি এম, গুৱাহাটীৰ অধ্যাপক ড০ অভিজিত ব্ৰহ্মা, কে আৰ বি মহিলা মহাবিদ্যালয়, গুৱাহাটীৰ অধ্যাপিকা মনীষা দেৱী, গৌৰীপুৰ মহাবিদ্যালয়ৰ অধ্যাপিকা প্ৰগতি শৰ্মা, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক অংশুমান গোস্বামী, খোৱাং মহাবিদ্যালয়ৰ অধ্যাপিকা ড০ পল্লৱী সন্দিকৈ অধ্যাপিকা ড০ ৰক্তিমা গোস্বামী, শিক্ষা ভেলী বিদ্যালয়, ডিব্ৰুগড়ৰ শিক্ষয়িত্ৰী মনীষা চৌৰাছিয়া, ৰাজীৱ কাপুৰে অনুষ্ঠানটিত উপস্থিত থাকি কানৈ মহাবিদ্যালয়ৰ নৈশৰ্গিক পৰিৱেশ দেখি অভিভূত হৈ পৰা বুলি উল্লেখ কৰি অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক ভূয়সী প্ৰশংসা কৰে। ছাত্ৰ-ছাত্ৰীৰ জ্ঞান বিস্তাৰ, শিক্ষাৰ মানদণ্ড উন্নত কৰা আৰু সংস্কৃতি আৰু ঐতিহ্যৰ বিষয়ে সজাগতা বৃদ্ধি কৰিবৰ বাবে অনুষ্ঠিত এই 'সাংস্কৃতিক বিনিময় কাৰ্যসূচী'ত মহাবিদ্যালয়ৰ ছাত্ৰী সংস্কৃতা শইকীয়া, অংকিতা ডেকা, তনুশ্ৰী চেতিয়াৰ নৃত্য পৰিৱেশন, নিকুমণি খাকলাৰী, পূজা বুঢ়াগোহাঁইৰ কবিতা আবৃত্তিয়ে অনুষ্ঠানটি অতি মননশীল কৰি তোলে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতিপ্ৰসাদ ফুকন, ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ নিৰ্মালী পেগু, দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপিকা উৰ্মিলা ৰামছিয়াৰীকে ধৰি চহৰখনৰ ভালেসংখ্যক গণ্যমান্য ব্যক্তি আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে অনুষ্ঠানটিৰ লগত সংগতি ৰাখি বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা অধ্যাপক-অধ্যাপিকাসকলৰ লগত ছাত্ৰ-ছাত্ৰীসকলে এক প্ৰশ্নোত্তৰ কাৰ্যসূচীটো অংশগ্ৰহণ কৰে।

